# অসম লোকসেৱা আয়োগ

## জৱাহৰ নগৰ, খানাপাৰা, গুৱাহাটী-২২

**********************************************

## হোমেন বৰগোহাঞিৰ প্ৰশ্নৰ স্পষ্টীকৰণ

যোৱা ২৬ মে' ২০১৫ তাৰিখে স্বনামধন্য সাংবাদিক-সাহিত্যিক তথা অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি হোমেন বৰগোহাঞি ডাঙৰীয়াই 'আমাৰ অসম' কাকতৰ প্ৰথম কলমত 'অসম লোকসেৱা আয়োগলৈ এটা প্ৰশ্ন' শীৰ্ষক শিৰোনামত উত্থাপন কৰা লেখাটি আয়োগৰ দৃষ্টি গোচৰ হৈছে। বৰগোহাঞি ডাঙৰীয়াই যি দুটা প্ৰশ্ন উত্থাপন কৰিছে তাৰ প্ৰথম প্ৰশ্নৰ উত্তৰত জনাওঁ যে কটন মহাবিদ্যালয়ৰ ইংৰাজী সাহিত্যৰ অধ্যাপক বাছিব পৰাকৈ আয়োগৰ সদস্য বা অধ্যক্ষৰ অগাধ পাণ্ডিত্য আছে বুলি কস্মিনকালেও আত্মশ্লাঘা কৰাৰ ধৃষ্টতা আয়োগৰ সদস্য বা অধ্যক্ষৰ নাই। বৰঞ্চ বৰগোহাঞি ডাঙৰীয়াইহে হকে বিহকে সদস্য/অধ্যক্ষৰ কোনো যোগ্যতা নাই বুলি লেখে। আয়োগৰ সদস্য বা অধক্ষ্যই যদি প্ৰাৰ্থী বাছনিৰ ক্ষেত্ৰত Assam Public Service Commission (Procedure & Conduct of Business) Rules, 2010 ত সন্নিৱিষ্ট বিধি সমূহ ভঙ্গ কৰে তেন্তে তেওঁলোক নিশ্চয় জগৰীয়া হ'ব। এই বিধিত সন্নিৱিষ্ট নিয়ম অনুসৰি প্ৰত্যক্ষ নিযুক্তিত মুঠ নম্বৰৰ ৫০ শতাংশ শিক্ষাগত অৰ্হতাৰ বাবে, ২০ শতাংশ বিষয়-জ্ঞানৰ বাবে আৰু ৩০ শতাংশ সাধাৰণ বৈশিষ্ট্য (general bearing)ৰ বাবে নিৰ্দিষ্ট কৰা আছে। শিক্ষাগত অৰ্হতাৰ আওতাৰ ভিতৰত শিক্ষাগত অৰ্হতাৰ লগতে কৰ্ম অভিজ্ঞতা, অতিৰিক্ত ডিগ্ৰী, প্ৰকাশন আদিও সন্নিৱিষ্ট থাকে আৰু প্ৰতিটো শিতানৰ বাবে পৃথক পৃথক নম্বৰ থাকে। এই প্ৰতিটো শিতানত পোৱা নম্বৰ, বিষয়-জ্ঞানৰ নম্বৰ আৰু সাক্ষাৎকাৰ বৰ্ডৰ অধ্যক্ষই দিয়া নম্বৰ—এই সকলোবোৰৰ মুঠ নম্বৰৰ ভিত্তিতহে প্ৰাৰ্থী নিৰ্বাচন কৰা হয়; বৰগোহাঞি ডাঙৰীয়াই কোৱাৰ দৰে কেৱল বিশেষজ্ঞই প্ৰদান কৰা বিষয়-জ্ঞানৰ নম্বৰৰ ভিত্তিত নহয়। আনহাতে বিষয়-জ্ঞান পৰীক্ষা কৰা বিশেষজ্ঞ সকলে দিয়া নম্বৰ বৰগোহাঞি ডাঙৰীয়াই লেখাৰ দৰে আয়োগে 'যি ইচ্ছা তাকে কৰিব' নোৱাৰে বা কৰাৰ দৃষ্টান্ত বৰ্তমানৰ লোকসেৱা আয়োগৰ নাই।

কটন মহাবিদ্যালয়ত সহকাৰী অধ্যাপক নিযুক্তিৰ বাবে যি সাক্ষাৎকাৰ অনুষ্ঠিত কৰা হৈছিল তাত তিনিও গৰাকী বিশেষজ্ঞই এগৰাকী প্ৰাৰ্থীক সৰ্বোচ্চ নম্বৰ দিছিল যদিও ওপৰত উল্লেখ কৰি অহাৰ দৰে প্ৰতিটো শিতানত লাভ কৰা মুঠ নম্বৰৰ ফলতে বিশেষজ্ঞই সৰ্বোচ্চ নম্বৰ দিয়া প্ৰাৰ্থী আৰু আয়োগে অনুমোদন জনোৱা প্ৰাৰ্থীৰ নম্বৰৰ মাজত এক নম্বৰৰ ব্যৱধান আহিল। প্ৰথম গৰাকীৰ নেট আৰু চেট আছে আৰু দ্বিতীয় গৰাকীৰ পি.এইচডি ডিগ্ৰী আছে। দুয়ো গৰাকী প্ৰাৰ্থীৰে শিক্ষাগত অৰ্হতাৰ নম্বৰ সমান।

সাক্ষাৎকাৰ লোৱাৰ সময়ত বৰ্ডৰ প্ৰতিজন সদস্যই প্ৰদান কৰা নম্বৰ প্ৰকৃতপক্ষে একান্ত গোপনীয়। কিন্তু উক্ত সাক্ষাৎকাৰত যদি বিষয় বিশেষজ্ঞ সকলে বৰগোহাঞি ডাঙৰীয়াই লেখাৰ দৰে আলোচনা কৰি কোনো বিশেষ প্ৰাৰ্থীক তেতিয়াই নিৰ্বাচন কৰি পেলাইছিল তেন্তে সেয়া আয়োগৰ নীতি বহিৰ্ভূত।

বিশ্ববিদ্যালয় অনুদান আয়োগৰ ২০১০ চনৰ Regulationত চৰকাৰী মহাবিদ্যালয় সমূহত শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত ৰাজ্যিক লোকসেৱা আয়োগ সমূহে লব লগা ব্যৱস্থা সম্পৰ্কে কোৱা হৈছে এইদৰে—For all levels of teaching positions in Government Colleges, the State Public Services Commissions/Teacher Recruitment Boards must invite three subject experts for which the concerned University, be involved in the selection process by the State PSC. অসম লোকসেৱা আয়োগে উক্ত বিধি অনুসৰি প্ৰতিটো বিষয়ৰে প্ৰতিখন বৰ্ডৰ বাবে তিনিজনকৈ বিষয় বিশেষজ্ঞ নিযুক্তি দিবৰ বাবে চৰকাৰক অনুৰোধ জনায় আৰু সেই মৰ্মে চৰকাৰে নিযুক্তি দিয়ে। দ্বিতীয় প্ৰশ্নটোৰ উত্তৰ প্ৰথম প্ৰশ্নৰ উত্তৰতে সোমাই আছে। বিশেষজ্ঞ সকলৰ অভিমতক বাতিল কৰাৰ কথা ইয়াত নাহে।

স্বাঃ

সচিব

অসম লোকসেৱা আয়োগ